# অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ১৬৮**

উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬

**বিষয়ঃ উদ্যোগ স্থাপনৰ বাবে মাটি অধিগ্ৰহণ।** **সদস্যৰ নামঃ শ্ৰী ভূপেন ৰায়**

১৬৮ । মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ব্যক্তিগত খণ্ডৰ নতুন (ক্ষুদ্ৰ) উদ্যোগ স্থাপনৰ বাবে ভূমি অধিগ্ৰহণ কৰা নীতি চৰকাৰৰ আছেনে?

(খ) যদি আছে, এইক্ষেত্ৰত কোন কোন ঠাইত ভূমি অধিগ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে?

(গ) বঙাইগাঁও জিলাৰ অভয়াপুৰী সমষ্টিত তেনে ব্যৱস্থা হাতত ল'বনে?

(ঘ) অভয়াপুৰীৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ লালমাটি গ্ৰেজিং গাঁৱৰ কিবা মাটি বিভাগে বিচাৰিছে নেকি? অনুগ্ৰহ কৰি জনাবনে?

## উত্তৰঃ

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ**

(ক) নাই, কিন্তু অসম চৰকাৰৰ অধীনত থকা ৰাজহুৱা প্ৰতিষ্ঠান বিলাকে উদ্যোগিক পাম স্থাপন কৰিবৰ কাৰণে ভূমি অধিগ্ৰহণ কৰে আৰু এইবিলাক উদ্যোগিক পামত সুক্ষ্ম উদ্যোগ স্থাপন কৰিব পাৰে ।

(খ) নাই, মাটি অধিগ্ৰহণ নাই কৰা ।

(গ) আগন্তুক সময়ত চৰকাৰে ব্যৱস্থা ল'ব ।

(ঘ) উক্ত মাটি এখন উদ্যোগিক পাম স্থাপন কৰিবলৈ AIDC বঙাইগাঁও জিলা আয়ুক্তলৈ এখন আবেদন কৰিছে আৰু মাটি হস্তান্তৰৰ কাৰনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আবেদন জনাইছে ।

*********